## হাজোত আলোচনা-চক্ৰত বিপ্লৱ কুমাৰ শৰ্মা

নিয়মীয়া বাৰ্তা - ২২-৪-১৭ ইং

# তথ্য বিচৰাটো জনসাধাৰণৰ মৌলিক অধিকাৰ

নিয়মীয়া বাৰ্তা, হাজো, ২১ এপ্ৰিল ঃ তথ্য জনাৰ অধিকাৰ আইনৰ ভিত্তিত তথ্য বিচাৰি কৰা আবেদনকাৰীক অন্যায়ভাৱে তথ্য যোগান নধৰাটো এক দোষণীয় কাম। ৰাজহুৱা স্বাৰ্থজনিত সকলো ধৰণৰ তথ্য বিচৰাটো জনসাধাৰণৰ মৌলিক অধিকাৰ। —এই বক্তব্য অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ। তীৰ্থনগৰী হাজোৰ সুৰেন দাস মহাবিদ্যালয়ত আজি দিনৰ এঘাৰ বজাত আই কিউ এ চিৰ উদ্যোগত অনুষ্ঠিত ‘তথ্য জনাৰ অধিকাৰ আইন’ সম্পৰ্কীয় এক আলোচনা-চক্ৰত অংশগ্ৰহণ কৰি শৰ্মাই পুনৰ কয়— যিহেতু তথ্য জনাৰ অধিকাৰ নাগৰিকৰ বাবে মৌলিক অধিকাৰ হিচাপে চিহ্নিত হৈছে, তেনে পৰিপ্ৰেক্ষিতত ক্ষমতাৰ অপব্যৱহাৰ কৰা ব্যক্তিৰ ক্ষেত্ৰত শাস্তি প্ৰদানৰ ব্যৱস্থা নথকা নহয়। বিশিষ্ট লেখক ড° প্ৰবীণ চন্দ্ৰ দাসৰ সঞ্চালনাত অনুষ্ঠিত মনোজ্ঞ আলোচনা-চক্ৰটিত অংশগ্ৰহণ কৰা অধ্যাপক ৰমেশ চন্দ্ৰ বৰপাত্ৰ গোহাঁয়ে বিষয়বস্তুৰ সন্দৰ্ভত আলোকপাত কৰি কয়, তথ্য জনাৰ অধিকাৰ আইনখন সংশোধনৰ প্ৰয়োজনীয়তা আছে। কিয়নো আইনখনৰ অধীনত তথ্য বিচৰা লোকক সময় অনুসৰি তথ্য যোগান ধৰাৰ ক্ষেত্ৰত সংশ্লিষ্ট বিভাগে অপাৰগতা প্ৰকাশ কৰাটো অতি লক্ষণীয় হৈ পৰিছে। তথ্য জনাৰ অধিকাৰ আইনখনত সুদূৰপ্ৰসাৰী উদ্দেশ্য নিহিত হৈ আছে। এই আইনৰ বিভিন্ন দিশৰ ওপৰত ৰাইজ সজাগ হোৱাটো নিতান্তই প্ৰয়োজন আছে। অধ্যাপিকা গীতিমা বুজৰবৰুৱাই উদ্দেশ্য ব্যাখ্যা কৰা আলোচনা-চক্ৰটিত আদৰণী ভাষণ ৰাখে সুৰেন দাস মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হিৰণ্য কুমাৰ শৰ্মাই। এই আলোচনা-চক্ৰত মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকা, শিক্ষাৰ্থী তথা স্থানীয় ৰাইজকে ধৰি শতাধিক উপস্থিত থাকে।